**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। বিটিআৰ নিৰ্বাচনত অকলে প্ৰতিদ্বন্দ্বিতা কৰিলেও বিজেপিৰ ইউ পি পি এলৰে মিত্ৰতাসূচক দৃষ্টিভংগী অব্যাহত থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। ৰাজ্য চৰকাৰৰ কৰ সংস্কাৰৰ ফলত বিগত ৪ বছৰত ৰাজ্যখনত ৰাজহ সংগ্ৰহ ৮৩ শতাংশ বৃদ্ধি হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ।

৩। বাংলাদেশ আৰু ম্যানমাৰৰ অবৈধ নাগৰিকক চিনাক্তকৰণ আৰু বহিষ্কৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলবোৰক এমাহৰ সময়সীমা নিৰ্ধাৰণ।

৪। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ বীৰ সৈনিকসকলৰ বীৰগাঁথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি শ্বহীদ উদ্ধৱ দাসৰ পৰিয়ালৰ সদস্যৰ অভিমত। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়ণ্টছৰ বিৰুদ্ধে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ৬ উইকেটত জয়লাভ।

০০০০০০

বিটিআৰ নিৰ্বাচনত বিজেপিয়ে অকলে প্ৰতিদ্বন্দ্বিতা কৰিব যদিও ইউ পি পি এলৰ সৈতে মিত্ৰতাসূচক দৃষ্টিভংগী অব্যাহত থাকিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। সংবাদ মাধ্যমৰ আগত কালি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে দুয়োটা দলে অকলে এই নিৰ্বাচনত অৱতীৰ্ণ হ'ব যদিও পৰস্পৰক সমালোচনাৰ পৰা বিৰত থাকিব। যোৱাবাৰৰ নিৰ্বাচনত বিজেপিয়ে ২৫টা সমষ্টিত প্ৰাৰ্থী দিছিল আৰু এইবাৰো কমেও ২৫ টা সমষ্টিটে প্ৰতিন্দ্বন্দ্বিতা কৰিব বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই বি টি আৰৰ নিৰ্বাচন পৰিচালনাৰ বাবে গঠন কৰা সমিতিখনে অহা সপ্তাহত বি টি আৰ ভ্ৰমণ কৰি প্ৰতিবেদন দাখিল কৰিব। এই প্ৰতিবেদনৰ দ্বাৰা বিজেপি কিমানটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ শক্তিশালী সেই বিষয়ে তথ্য পোৱা যাব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। …… **বাইট।।**

০০০০০০

অসম চৰকাৰে কৰ ব্যৱস্থাৰ ক্ষেত্ৰত কৰা সংস্কাৰৰ বাবে বিগত ৪ বছৰত ৰাজ্যখনত ৰাজহ সংগ্ৰহ ৮৩ শতাংশ বৃদ্ধি হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। সূত্ৰটোৱে প্ৰকাশ কৰা অনুসৰি ২০২০-২১ বৰ্ষত কৰ, আবকাৰী, পৰিবহণ, পঞ্জীয়ন, খনি আৰু খনিজ, বন আৰু অন্য বিভাগসমূহৰ পৰা সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ ১৯ হাজাৰ ৯৩০ কোটি টকা আছিল। ২০২৪-২৫ বিত্তীয় বৰ্ষত এই পৰিমাণ ৩৬ হাজাৰ ৫৪৯ কোটি টকালৈ বৃদ্ধি পাইছে। সূত্ৰটোৱে প্ৰকাশ কৰা মতে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কৌশলী বিত্তীয় ব্যৱস্থাপনাৰ জৰিয়তে ৰাজ্যখনত

দ্ৰুত বিকাশ পৰিলক্ষিত হৈছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে নিৰ্ধাৰিত বাজেটত ৮৬ শতাংশ ব্যৱহাৰ কৰিবলৈ সমৰ্থ হৈছিল। বাজেটত প্ৰস্তাৱিত ১ লাখ ৬৮ হাজাৰ ৬৭৩ কোটি টকাৰ ভিতৰত ১ লাখ ৪৪ হাজাৰ ৭০২ কোটি টকা ব্যয় কৰা হৈছে বুলি ৰাজ্য চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰিছে। ইপিনে, মূলধনী ব্যয় ২০২০-২১ বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষলৈ অভূতপূৰ্বভাৱে ১০৩ শতাংশ হাৰত বৃদ্ধি হৈছে। ২০২০-২১ বৰ্ষত এই ব্যয় ১২ হাজাৰ ৪৮৭ কোটি টকাৰ পৰা ২০২৪-২৫ বৰ্ষত ২৫ হাজাৰ ৩৫৪ কোটি টকালৈ বৃদ্ধি হৈছে বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০

বাংলাদেশ আৰু ম্যানমাৰৰ পৰা অহা অবৈধ নাগৰিকক চিনাক্ত কৰি বহিষ্কাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলবোৰক এমাহৰ সময়সীমা নিৰ্ধাৰণ কৰি দিছে। ভাৰতীয় বুলি দাবী কৰা সন্দেহজনক বাংলাদেশ আৰু ম্যানমাৰৰ নাগৰিকৰ নথিপত্ৰসমূহ যদিহে ৩০ দিনৰ ভিতৰত সঁচা প্ৰমাণিত নহয় তেন্তে তেওঁলোকক বহিষ্কাৰৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে জাৰি কৰা নিৰ্দেশটোত উল্লেখ কৰা হৈছে। ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলসমূহে অনুপ্ৰৱেশকাৰী বাংলাদেশী নাগৰিক আৰু ৰহিংগীয়া শৰণাৰ্থীৰ তথ্য ৰখাৰ লগতে এই লোকসকলৰ তালিকা বহিষ্কৰণৰ বাবে বি এছ এফক দিব লাগিব। মন্ত্ৰালয়ে ব্যুৰ’ অৱ ইমিগ্ৰেচনক বহিষ্কাৰ কৰা ব্যক্তিৰ তালিকা ৰাজহুৱা প’ৰ্টেলত প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিছে। ইফালে উচ্চতম ন্যায়ালয়ে শ্ৰীলংকাৰ এজন নাগৰিকে জনোৱা আবেদনৰ শুনানিলৈ শৰণাৰ্থীৰ প্ৰসংগত ভাৰত এখন ধৰমশালা নহয় বুলি মন্তব্য কৰিছে। সমগ্ৰ বিশ্বৰ শৰণাৰ্থীক আশ্ৰয় দিব পৰাকৈ ভাৰত সমৰ্থ নহয় বুলি মন্তব্য কৰি ন্যায়াধীশ দিপাংকৰ দত্ত আৰু কে বিনোদ চন্দ্ৰনক লৈ গঠিত এখন বিচাৰপীঠে কয়, যে আমাৰ দেশে ইতিমধ্যে ১৪০ কোটি জনসংখ্যাৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ যুঁজ দিবলগীয়া হৈছে। অনুপ্ৰেৰশকাৰীৰ প্ৰতি শূন্যসহনশীলতা পোষণ কৰা ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ শৰণাৰ্থীৰ সন্দৰ্ভত এই ৰায় যুগান্তকাৰী আৰু তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে।

০০০০০০

ৰাজ্য তথা উত্তৰ-পূৰ্বাঞ্চলৰ আভ্যন্তৰীণ জলপথৰ দ্ৰুত উন্নয়ন আৰু ৰূপান্তৰৰ বাবে কেন্দ্ৰীয় চৰকাৰ সুদূৰপ্ৰসাৰী দৃষ্টিভংগীৰে অগ্ৰসৰ হৈছে বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মন্তব্য কৰিছে। গুৱাহাটীৰ সামুদ্ৰিক দক্ষতা বিকাশ কেন্দ্ৰত ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ অধীনত অসম তথা উত্তৰ-পূৰ্বাঞ্চলত ৰূপায়ণ হৈ থকা অভিলাষী প্ৰকল্পসমূহৰ পৰ্যালোচনা কৰি শ্ৰীসোণোৱালে বিগত দুবছৰত অঞ্চলটোত এইক্ষেত্ৰত এহেজাৰ কোটি টকাৰ বিনিয়োগ কৰা হৈছে বুলি জানিবলৈ দিয়ে। ইয়াৰে ৩০০ কোটি টকা প্ৰকল্পৰ কাম ইতিমধ্যে সম্পন্ন হৈছে বুলি অৱগত কৰি মন্ত্ৰীগৰাকীয়ে বাকী থকা ৭০০ কোটি টকা ব্যয় সাপেক্ষ প্ৰকল্পৰ কাম ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ অঞ্চলটোৰ জলপথ উন্নয়নত অতিৰিক্ত এহেজাৰ কোটি টকাৰ বিনিয়োগ অচিৰেই কৰা হ’ব বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে শেহতীয়াকৈ অসমত ব্ৰহ্মপুত্ৰ আৰু বৰাকক‌ে ধৰি নদী প্ৰণালীৰে সমৃদ্ধ জলপথসমূহে বাণিজ্য আৰু অৰ্থনৈতিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি মন্তব্য কৰে। আভ্যন্তৰীণ জলপথসমূহে সামগ্ৰী আৰু যাত্ৰী পৰিবহণৰ ক্ষেত্ৰত ন্যূনতম ব্যয়ৰে পৰিৱেশ অনুকূল মাধ্যম হিচাপে কাম কৰি আহিছে। জলবাহকৰ দৰে আঁচনিয়ে ৰে’লপথ আৰু স্থলপথৰ ভিৰ হ্ৰাস কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে কয়। পৰ্যটনৰ সুবিধাৰ বাবে আৰু কাৰ্গ’ সঞ্চালন বৃদ্ধিৰ বাবে শিলঘাট, বিশ্বনাথ ঘাট, নিমাতী ঘাট আৰু গুইজানত তীৰৰ সুবিধা থকা জেটি নিৰ্মাণৰ লগতে আনুষংগিক সা-সুবিধাৰ ব্যৱস্থা কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

শিলচৰৰ অসম বিশ্ববিদ্যালয়ত অসমীয়া বিভাগ মুকলি কৰাৰ লগতে ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ এটা প্ৰতিমূৰ্তি স্থাপন কৰাৰ বাবে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আহ্বান জনাইছে। কালি বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত বাংলা ভাষাৰ ১১ গৰাকী ছহিদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যে আয়োজিত অনুষ্ঠানত অংশ লৈ ড° গোস্বামীয়ে প্ৰকাশ কৰে। বাংলা আৰু অসমীয়া ভাষাৰ আদান-প্ৰদানৰ মাধ্যমেৰে সাহিত্য সম্ভাৰ শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ উদ্দেশ্যে অহা ছেপ্তেম্বৰত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাৰ আয়োজন কৰা হৈছে বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

ইপিনে, অসম সাহিত্য সভাৰ সভাপতি ড° গোস্বামীৰ নেতৃত্বত সভাৰ কেইবাগৰাকীও বিষয়-ববীয়া তথা সদস্যই কালি প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বিশিষ্ট শিক্ষাবিদ কবিন্দ্ৰ পুৰকায়স্থৰ বাসগৃহলৈ গৈ তেওঁক 'বৰাক প্ৰহৰী' বঁটাৰে বিভূষিত কৰে। উপ-সভাপতি পদুম ৰাজখোৱা, মুখ্য সম্পাদক দেৱজিৎ বৰাকে বিষয়ববীয়াসকলে শ্ৰী পুৰকায়স্থৰ শিলচৰৰ বাসগৃহত তেওঁক গামোচা, জাপি আৰু এখন স্মাৰকেৰে সন্মানিত কৰে।

০০০০০০

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত আজি আৰক্ষী অধীক্ষকৰ সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনৰ বাবে প্ৰতিষ্ঠানটোত সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত বিশেষ অতিথি হিচাপে অংশ লোৱাৰ কথা। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছতে ড° শৰ্মাই প্ৰতি ছমাহত অসম আৰক্ষী অধীক্ষকৰ সন্মিলন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত আইনৰ শাসন সুনিশ্চিত কৰাৰ বাবে আৰক্ষী অধীক্ষকসকলক লক্ষ্য স্থিৰ কৰি দিছিল। এই সন্মিলনত মুখ্যমন্ত্ৰী ড° শৰ্মাই বিভিন্ন জিলাৰ আৰক্ষী অধীক্ষকসকলৰ পৰা বিগত সময়ছোৱাৰ কাম-কাজ আৰু আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কীয় সবিশেষ তথ্য গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০০০

নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰি উৎপাদন আৰম্ভ কৰিবলৈ সেউজ সংকেত দিয়া তিনিজনীয় বিশেষজ্ঞ সমিতিয়ে প্ৰকল্পটোৰ নামনিত পানীৰ নাটনি নহ'বলৈ দৈনিক ২৪০ কিউমেক হাৰত পানী এৰি দিবলৈ পৰামৰ্শ দিছে। খৰালিত বান্ধৰ জলাধাৰ পানী সম্পূৰ্ণৰূপে নাথাকিলেও এন এইচ পি চিয়ে নৈখনৰ নামনি অংশত পানী থকাটো সুনিশ্চিত কৰিবলৈ প্ৰকল্পৰ এটা গোট নিৰৱচ্ছিন্নভাৱে চলাই ৰাখিব বুলি বিশেষজ্ঞ সমিতিয়ে মতামত দিছে। ইয়াৰ দ্বাৰা প্ৰকল্পৰ নামনি অঞ্চলত থকা শিহুকে ধৰি সামগ্ৰিক জলজ জৈৱ বৈচিত্ৰৰ সুৰক্ষা তথা সংৰক্ষণ সুনিশ্চিত কৰা হ'ব। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণৰ নিৰ্দেশত কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে ২০১৭ চনত গঠন কৰা বিশেষজ্ঞ সমিতিয়ে দিয়া প্ৰতিবেদন অনুযায়ী প্ৰায় এক দশক ধৰি বন্ধ হৈ থকা নামনি সোৱণশিৰি প্ৰকল্পৰ নিৰ্মাণকাৰ্য পুনৰ আৰম্ভ হৈছিল। দুহেজাৰ মেগাৱাট বিদ্যুৎ উৎপাদন ক্ষমতাসম্পন্ন প্ৰকল্পটোৰ ৮টা গোটৰ তিনিটা চলিত মাহৰ পৰাই কাৰ্যক্ষম কৰাৰ বাবে এন এইচ পি চি সাজু হৈছে যদিও বিশেষজ্ঞ সমিতিয়ে দিয়া পৰামৰ্শ কাৰ্যকাৰিতা এতিয়াও স্পষ্ট হোৱা নাই।

০০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি জানিব পাৰিম ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধত অসমৰ প্ৰথমগৰাকী ছহিদ উদ্ধৱ দাসৰ বীৰগাথা। বাক্সা জিলাৰ অঞ্চলি গাঁৱৰ নিবাসী ১৯৯৯ চনৰ ২৪ জুনত ভাৰতৰ হৈ কাৰ্গিল ৰণাংগনত প্ৰাণাহুতি দিয়া সেনা বাহিনীৰ ১৯৯৭ ফিল্ড ৰেজিমেণ্টৰ জোৱান ৰাষ্ট্ৰীয় বীৰ ছহিদ উদ্ধৱ দাসৰ মাতৃ থগেশ্বৰী দাস আৰু একমাত্ৰ ভগ্নী জয়ন্তী দাসৰ সৈতে কিছু কথোপকথন।....... (বাইট)

০০০০০০

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ চলিত সংস্কৰণৰ প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে। প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে লক্ষ্ণৌৰ দলটোত ৬ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌৱে বান্ধি ২০৬ ৰানৰ লক্ষ্য হায়দৰাবাদে ১৮ অভাৰ আৰু ২টা বলত ৪টা উইকেটৰ বিনিময়ত সহজে অতিক্ৰম কৰে। দলৰ হৈ অভিষেক শৰ্মাই ৫৯, হেনৰিক ক্লাছেনে ৪৭, ঈশান কিষাণে ৩৫ আৰু কামিণ্ডু মেণ্ডিছে ৩২ ৰানৰ বৰঙণি আগবঢ়ায়। অভিষেক শৰ্মাক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। লক্ষ্ণৌৰ দিগবেছ সিং ৰাথিয়ে দুটা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২০৫ ৰান সংগ্ৰহ কৰে। হায়দৰাবাদৰ ঈশান মালিংগাই দুটা আৰু হৰ্ষ ডুবে, হৰ্ষল পেটেল আৰু নীতিশ ৰেড্ডীয়ে এটাকৈ উইকেট দখল কৰে। এই পৰাজয়ৰ পাছত লক্ষ্ণৌৰ দলটো পইণ্ট তালিকাৰ সপ্তম স্থানলৈ অৱনমিত হয়। দলটোৱে এইপৰ্যন্ত ১২ খন খেলৰ পৰা ১০ পইণ্টহে অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

উত্তৰ-পূৱত আভ্যন্তৰীণ জলপথ বিকাশত কেন্দ্ৰই ব্যয় কৰিব এহেজাৰ কোটি শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আভ্যন্তৰীণ জলপথৰ দ্ৰুত ৰূপান্তৰৰ বাবে চৰকাৰৰ দৃষ্টিভংগী সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

তুৰস্ক সমৰ্থিত বাংলাদেশী মৌলবাদী সংগঠনে অসম তথা পূৰ্বোত্তৰৰ আটাইবোৰ ৰাজ্য, ম্যানমাৰৰ আৰাকান অঞ্চল, বিহাৰ, ঝাৰখণ্ড আৰু ওড়িশাৰ একাংশ অঞ্চলক লৈ তথাকথিত বৃহত্তৰ বাংলাদেশ গঠনৰ পৰিকল্পনা কৰিছে। এই বাতৰিক **দৈনিক অসম** কাকতৰ।

বাংলাদেশ আৰু ম্যানমাৰৰ পৰা অহা অবৈধ নাগৰিকক চিনাক্ত কৰি বহিষ্কাৰ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলবোৰক সময়সীমা বান্ধি দিছে। এই বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে।

**আমাৰ অসম** কাকতে **শত্ৰুক কিয় বাৰ্তা? জয়শংকৰক লৈ বিৰোধীৰ আক্ৰমণ তীব্ৰতৰ** শিৰোনামেৰে অপাৰেচন সিন্দূৰৰ পূৰ্বে অভিযানৰ বিষয়ে পাকিস্তানক কিয় জনোৱা হৈছিল বুলি ৰাহুল গান্ধী তথা কংগ্ৰেছে কৰা প্ৰশ্নৰে বাতৰি প্ৰকাশ কৰিছে।

**অসমীয়া খবৰ** কাকতে **এছিয়াত ক'ভিডৰ ভয়াৱহ সংক্ৰমণ** শিৰোনামেৰে এছিয়াৰ বিভিন্ন দেশত মহামাৰী ক'ভিড-১৯ৰ ভয়াৱহ সংক্ৰমণ পুনৰ আৰম্ভ হোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

অহা ছেপ্তেম্বৰত হ'বলগীয়া বিটিচি নিৰ্বাচনত ইউ পি পি এলৰ লগত বিজেপিয়ে মিত্ৰতা নকৰে। এই বাতৰি **নিয়মীয়া বাৰ্তা** কাকতৰ।

ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অতি সোনকালে যুদ্ধ বিৰতি চুক্তি ৰূপায়ণ হ'ব। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ এই ভাষ্যৰে দি আছাম ট্ৰিবিউন কাকতে এই সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

অসম আৰক্ষীয়ে পাকিস্তানৰ সমৰ্থনত বক্তব্য প্ৰকাশ কৰা এতিয়ালৈকে ৭১ গৰাকী লোকক আটক কৰিছে। এই বাতৰি দা ছেণ্টিনেল কাকতৰ।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

২০০৮ চনত ধেমাজি জিলা উপায়ুক্তৰ কাৰ্যালয়ত অনিয়মেৰে নিযুক্তি দিয়াৰ এটা ঘটনা সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে কঠোৰ নিৰ্দেশনা প্ৰদান কৰিছে। ২০০৮ চনত উপায়ুক্তৰ কাৰ্যালয়ত খালী হোৱা দুটা ষ্টেনোগ্ৰাফাৰ পদত অৰ্হতাহীন দুজন প্ৰাৰ্থীক ভুৱা তথ্য দাখিলেৰে অবৈধভাৱে নিযুক্তি দিয়া সন্দৰ্ভত এগৰাকী বঞ্চিত প্ৰাৰ্থীয়ে দাখিল কৰা গোচৰৰ ৰায়দানত দুজনীয়া বিচাৰপীঠে দুয়োগৰাকী কৰ্মচাৰীক বৰ্খাস্ত কৰে। ন্যায়ালয়ে পদ দুটাৰ বাবে নতুনকৈ বিজ্ঞাপন দি সঠিক নিযুক্তি প্ৰক্ৰিয়াৰে যোগ্য প্ৰাৰ্থীক নিযুক্তি দিবলৈ নিৰ্দেশনা দিয়ে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত